# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 11-02-2026 **Time :** 1100 Hrs.

0000000000

অসমত চলি থকা উচ্ছেদ অভিযানৰ নায্যতা পৰীক্ষা কৰিবলৈ বিশেষ সমিতি গঠনৰ বাবে উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। উচ্ছেদিত লোকসকলে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি এছ নৰসিমহা আৰু ন্যায়াধীশ আলোক আৰাধেৰে গঠিত খণ্ড বিচাৰপীঠে কালি ৰাজ্য চৰকাৰক এই নিৰ্দেশ দিয়ে। ৰাজ্যৰ বন আৰু ৰাজহ বিভাগৰ বিষয়াসকলক লৈ এই সমিতি গঠন কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে সংৰক্ষিত বনাঞ্চলতহে উচ্ছেদ অভিযান চলাব পাৰিব বুলি ৰায়দানত স্পষ্টকৈ উল্লেখ কৰা হৈছে। উচ্ছেদ অভিযান সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ সংশোধন কৰি উচ্চতম ন্যায়ালয়ে প্ৰথমে বনাঞ্চল চিহ্নিত কৰা আৰু সীমা নিৰ্ধাৰণ কৰাৰ পাছতহে বনাঞ্চল উচ্ছেদ কৰিব পাৰিব বুলি নিৰ্দেশ দিয়ে। বন অধিকাৰ আইনৰ অধীনত বনাঞ্চলত থকা কোনো গাঁও পঞ্চায়তৰ অৱস্থানসমূহ আইনী নে বেআইনী এই সন্দৰ্ভত এই সমিতিয়ে পুংখানুপুংখভাৱে চালিজাৰি চোৱাৰ পাছতহে সিদ্ধান্ত ল'ব পাৰিব বুলি নিৰ্দেশ দিয়ে। উচ্ছেদ অভিযানৰ আগেয়ে এই সমিতিয়ে সংশ্লিষ্ট অঞ্চলৰ লোকসকলক জাননী দিয়াটো বাধ্যতামূলক কৰা হৈছে। উচ্ছেদ অভিযানৰ পূৰ্বে স্থানীয় প্ৰশাসনে অঞ্চলটো খালী কৰিবলৈ কমেও ১৫ দিনৰ সময়সীমা দিয়াটো বাঞ্চনীয় বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে নগাঁও, হোজাই আৰু গোলাঘাট জিলাৰ উৰিয়ামঘাট, নেঘেৰী বিল, উদমাৰী, যমুনা গাঁও, ধানচলা, ৰাঙলুবস্তি, ধনশিলা, বৰবিল আৰু গেলাজান আদি সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱা সন্দৰ্ভত ১৬ জানুৱাৰীত চূড়ান্ত শুনানি গ্ৰহণ কৰা হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালৰ পৰা কোনো সকাহ নোপোৱাত এই লোকসকলে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল।

oooooooo

অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৬৯৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ লগতে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ঠিকাভিত্তিক ১৮৫ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত সৰ্বাধিক ৬৪২ গৰাকী, কৃষি উন্নয়ন বিষয়া পদত ১৯৩ গৰাকী, জলসম্পদ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত ১৪২ গৰাকী আৰু হস্ততাঁত বস্ত্ৰশিল্প তথা ৰেচম বিভাগত ৰেচম প্ৰদৰ্শক হিচাপে ১২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই নিযুক্তি পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাও গৌড়া ব্ৰহ্মকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলক ADRE অৰ্থাৎ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে বাছনি কৰা হোৱা নাই।

ooooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ বোন্দাৰ অসম ৰাজ্যিক পাঠ্যপুথি নিগমৰ কেন্দ্ৰীয় ভঁৰাল চৌহদৰ পৰা বিদ্যালয়সমূহলৈ ২০২৬-২৭ বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ কৰে। ৯ টা মাধ্যম আৰু ১৯ টা ভাষা সামৰি এইবাৰ প্ৰকাশ কৰা ৩ কোটি ৪২ লাখ পাঠ্যপুথিৰ দ্বাৰা ৰাজ্যৰ ৪৯ লাখ ৮৪ হাজাৰ শিক্ষাৰ্থী উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। অনুষ্ঠানত দিয়া ভাষণত ডাঃ পেগুৱে পাঠ্যপুথিসমূহ বিতৰণ প্ৰক্ৰিয়াত বিভাগীয় বিষয়াসকলক চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয়, যে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত প্ৰাথমিক পৰ্যায়ৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ ব্যৱস্থা চলি আহিছিল যদিও বৰ্তমান চৰকাৰে শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণৰ পথ অধিক সুচল কৰাৰ বাবে মাধ্যমিক পৰ্যায়লৈকে বিনামূলীয়া পাঠ্যপুথি যোগানৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলৰ সহায় হোৱাৰ লগতে ৰাজ্যৰ সামগ্ৰিক শিক্ষাৰ মান উন্নীত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত অসম ৰাজ্যিক পাঠ্যপুথি নিগমৰ অধ্যক্ষ দেৱানন্দ হাজৰিকাকে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে কালিৰেপৰা সাদিনীয়াকৈ নাহৰ গ্ৰন্থ মহোৎসৱ অনুষ্ঠিত হৈছে। বিশিষ্ট সাংবাদিক, ঔপন্যাসিক তথা বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী অনুৰাধা শৰ্মাৰ পুজাৰীয়ে এই গ্ৰন্থ মহোৎসৱ উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ সদৌ অসম ছাত্ৰ সন্থা গোট আৰু স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত তথা বৰপথাৰবাসীৰ সহযোগত এই মহোৎসৱ অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া ভাষণত সাহিত্যিক- সাংবাদিকগৰাকীয়ে এটা সু-সভ্য জাতি হ'বলৈ কিতাপেই একমাত্ৰ আশ্ৰয় বুলি মন্তব্য কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাৰ পৰাই গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° জীতেন হাজৰিকা, পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ১৬ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই গ্ৰন্থ মহোৎসৱত ৰাজ্যৰ কেইবাটাও প্ৰকাশন আৰু বিক্ৰেতা সংস্থাই অংশগ্ৰহণ কৰিছে।

০০০০০০০

কাৰ্বি আংলং জিলাৰ বিদেশী ন্যায়াধীকৰণ আদালতে কালি লেংৰি থানাৰ অধীনৰ তাজুদ্দিন, খুৰছিত আলী আৰু তিলাবস্তিৰ আমিৰ হুছেইন নামৰ ৩ জন লোকক বিদেশী বুলি চিহ্নিত কৰি ২৪ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়ে। আদালতে লগতে নিৰ্দেশটো অমান্য কৰিলে আইনমতে দণ্ডনীয় হ'ব বুলি সকিয়াই দিয়ে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

**সমাপ্ত**